**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------------------------------

১। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অনুদানেৰে ৰাজ্যত ১৭ খন একলব্য আদৰ্শ আবাসীক বিদ্যালয় নিৰ্মাণৰ ঘোষণা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ।

২। নীল বিপ্লৱ সূচনাৰ লক্ষ্যৰে ৭৯৬ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্যৰ ১২৯ খন বীল পুনৰুদ্ধাৰ আৰু উজ্জীৱিত কৰাৰ আঁচনি।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত আলজেৰিয়াত উপস্থিত হোৱাত ৰাষ্ট্ৰপতি আব্দেলমজিদ টেবুনে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক আদৰণি জনায়। **আৰু**

৪। মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ শ্বাৰজাহত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত ভাৰতক পৰাস্ত কৰি অষ্ট্ৰেলিয়াৰ ছেমি ফাইনেলত প্ৰৱেশ।

oooooo

অসম চৰকাৰে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে দেখুওৱা আৰ্হি অনুসৰি ৰাজ্যখনত ১৭ খন একলব্য আদৰ্শ আৱাসিক বিদ্যালয় শীঘ্ৰে নিৰ্মাণ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয় যে এই বিদ্যালয় স্থাপনৰ বাবে ৫০ শতাংশতকৈ অধিক অনুসূচীত জনজাতিৰ লোক থকা খণ্ডসমূহ বাচনি কৰা হৈছে। এই বিদ্যালয়সমূহ বাক্সা জিলাৰ দলবাৰী, জালাহ আৰু সৰুপেটা, বৰপেটাৰ খৰাধৰা, কাৰ্বি আংলঙৰ হাওৰাঘাট আৰু চিলনীজান, পশ্চিম কাৰ্বি আংলঙৰ দংকা, গোৱালপাৰাৰ দুধনৈ, কামৰূপৰ বকো, ওদালগুৰিৰ খৈৰাবাৰী, কোকৰাঝাৰৰ বেদলাংমাৰি, ডিমা হাচাওৰ আৰদাওপুৰ, মাহুৰ আৰু হাৰাঙ্গাজাওত স্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে।

oooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মজয়ন্তী শ্ৰীলংকাৰ ৰাজধানী কলম্বোতো পালন কৰা হয়। মহাপুৰুষজনাৰ জন্মজয়ন্তীৰ লগত সংগতি ৰাখি কলম্বোত থকা ভাৰতৰ উচ্চায়ুক্তৰ কাৰ্যালয়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৰগীত পৰিৱেশন কৰা হয়। স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ অধ্যাপক অংকুৰণ দত্তই এই অনুষ্ঠানৰ তদাৰক কৰে। কলম্বোত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জয়ন্তী পালন কৰিবলৈ পাই অধ্যাপক অংকুৰণ দত্তই নিজকে গৌৰৱান্বিত বুলি কয়। উল্লেখযোগ্য যে কলম্বোত প্ৰথমবাৰৰ বাবে বিদেশী ভাষাত বৰগীত পৰিৱেশন কৰা বুলি শ্ৰী দত্তই প্ৰকাশ কৰে। সিংহলী ভাষালৈ মহাপুৰুষজনাৰ এটা বৰগীত অনুবাদ কৰি পৰিৱেশন কৰে।

*ঃঃ বাইট ঃঃ*

oooooo

রাজ্যৰ ১২৯ খন বিল পুনৰ উদ্ধাৰ আৰু উজ্জীৱিত কৰাৰ বাবে ৭৯৬ কোটি টকা ব্যয় সাপেক্ষ এখন আঁচনি প্ৰস্তুত কৰা হৈছে। এই আঁচনিখনে তিনি হাজাৰ ৮০০ হেক্টৰ ভূমি সামৰি ল'ব। ৰাজ্যৰ বিলসমূহ পুনৰ উজ্জীৱিত কৰি বান সমস্যাৰ মোকাবিলা কৰাৰ এক অভিলাসী আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিখনৰ আন এটা উদ্দেশ্য হৈছে ৰাজ্যৰ মাছৰ উৎপাদন বৃদ্ধি কৰা। এই আঁচনিৰ অধীনত ইতিমধ্যে ১৯০ খন বিল বাছনি কৰা হৈছে যদিও প্ৰথম পৰ্যায়ত ১২৯ খন বিলক আঁচনিখনে সামৰি ল'ব। বিলসমূহত খনন চলাই পানীধাৰণ ক্ষমতা বৃদ্ধি কৰি উজ্জীৱিত কৰাৰ পৰিকল্পনা কৰা হৈছে।

০০০০০০

আজিৰে পৰা ৩৬ সংখ্যক মৰিগাঁও জিলা দিৱস দুদিনীয়া কাৰ্যসূচী মৰিগাঁও জিলা সদৰত আৰম্ভ হৈছে। মৰিগাঁও জিলা আয়ুক্ত আৰু জিলাখনৰ বিশিষ্ট ব্যক্তিসকলে পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি দুপৰীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। এই বিষয়ে বিশদভাৱে জনাইছে আমাৰ মৰিগাঁৱৰ সংবাদদাতা ডালিম ফুকনে -

**ভইচ কাষ্ট**

০০০০০০

মৰিগাঁও জিলাৰ জৈৱ বৈচিত্ৰ ক্ষেত্ৰ পবিতৰা অভয়াৰণ্য আজি পুৱা পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিবলগীয়া অনুষ্ঠানত স্থানীয় বিধায়ক তথা জলসম্পদ আৰু জনসংযোগ মন্ত্ৰী পীযূষ হাজৰিকা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। পৃথিৱীৰ ভিতৰতে আটাইতকৈ কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্যখন চাবলৈ ইতিমধ্যে দেশী-বিদেশী পৰ্যটক উপস্থিত হৈছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আলজেৰিয়া, ম'ৰিটেনিয়া আৰু ম'লাৱিৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত যোৱানিশা আলজেৰিয়াৰ ৰাজধানী আলজিয়াৰ্ছত উপস্থিত হয়। এই ভ্ৰমণৰ আজি দ্বিতীয় দিনা ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰত-আলজেৰিয়াৰ মাজৰ সম্পৰ্ক শক্তিশালী আৰু সম্প্ৰসাৰণ কৰাৰ উদ্দেশ্যে দেশখনৰ নেতৃবৰ্গৰ সৈতে কেইবাখনো দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। কালি আলজিয়াৰ্ছ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত দেশখনৰ ৰাষ্ট্ৰপতি আব্দেলমজিদ টেবুনে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক আনুষ্ঠানিকভাৱে আদৰণি জনায়। ইয়াৰ পাছত এটা সমূহীয়া অৰ্ভ্যথনা অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীমতী মুৰ্মুৱে আলজেৰিয়াত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ প্ৰচেষ্টাৰ শলাগ লয় আৰু দুয়ো দেশৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে ভাল কামসমূহ অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

ৰাষ্ট্ৰপতি মুৰ্মুৱে আজি আলজেৰিয়াৰ স্বাধীনতা সংগ্ৰামৰ শ্বহীদসকলৰ মেগাম ইছাহিদ পৰিদৰ্শন কৰিব। তেওঁ লগতে মুজাহিদ সংগ্ৰহালয়ো পৰিদৰ্শন কৰিব। শ্ৰীমতী মুৰ্মুৱে দেশখনৰ ৰাষ্ট্ৰপতি মজিদৰ লগতে শীৰ্ষ পৰ্যায়ৰ অন্য প্ৰতিনিধিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। আজি তেওঁ দেশখনত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলকো সম্বোধন কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতি মুৰ্মু ১৬ অক্টোবৰত ম'ৰিটেনিয়াত উপস্থিত হ'ব আৰু অন্তিম পৰ্যায়ত ১৭ৰ পৰা ১৯ অক্টোবৰলৈ ম'লাৱিত ভ্ৰমণ কৰিব। দেশ কেইখনৰ ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে কেইবাখনো দ্বিপাক্ষিত আলোচনাত মিলিত হ'ব আৰু আগশাৰীৰ উদ্যোগপতি আৰু ব্যৱসায়সকলৰ

সৈতে মত বিনিময় কৰিব। তেওঁ লগতে দেশ কেইখনত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলৰ সৈতেও কথোপকথনত মিলিত হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ বাবে pminternship.mca.gov.in প'ৰ্টেল যোগে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ২৫ অক্টোবৰত এই প্ৰক্ৰিয়াৰ সামৰণি পৰিব। ১৯৩টা কোম্পানীয়ে বৰ্তমানলৈকে প'ৰ্টেলটোৰ জৰিয়তে প্ৰায় ৯১ হাজাৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ আগবঢ়াইছে। চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষত ১ লাখ ২৫ হাজাৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই পৰীক্ষামূলক প্ৰকল্পৰ বাবে মুঠ ৮০০ কোটি টকা ব্যয় কৰা হ'ব। চৰকাৰে এই আঁচনিৰ অধীনত ৫ বছৰৰ বাবে ২১ৰ পৰা ২৪ বছৰ বয়সৰ ১ কোটি প্ৰাৰ্থীক এবছৰৰ ইণ্টাৰ্ণশ্বিপ প্ৰদানৰ লক্ষ্য ধাৰ্য কৰিছে। এই আঁচনিৰ অধীনৰ প্ৰাৰ্থীসকলে এবছৰৰ বাবে মাহে ৫ হাজাৰ টকা বিত্তীয় সাহায্য আৰু ছহেজাৰ টকাৰ এককালীন অনুদান লাভ কৰিব। সূত্ৰৰ পৰা জানিব পৰা মতে, দেশৰ ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৭৩৭ খন জিলাত তেল, গেছ আৰু শক্তি, ভ্ৰমণ আৰু আতিথ্য, যান-বাহন আৰু বেংকিং তথা বিত্তীয় সেৱাসহ ২৪টা খণ্ডত ইণ্টাৰ্ণশ্বিপৰ এই সুযোগ উপলভ্য হ'ব। এই পৰীক্ষামূলক প্ৰকল্পৰ বাবে বিগত ৩ বছৰত কোম্পানীৰ সামাজিক দায়িত্বৰ অধীনত ব্যয় কৰা গড় ধনৰ ভিত্তিত শীৰ্ষ কোম্পানীসমূহ বাছনি কৰা হৈছে। এই আঁচনিত কোম্পানীসমূহৰ অংশগ্ৰহণ স্বেচ্ছামূলক। ইয়াৰ উপৰি আঁচনিৰ প্ৰতি আগ্ৰহী অন্য কোম্পানী, বেংক অথবা বিত্তীয় প্ৰতিষ্ঠানে কোম্পানী পৰিক্ৰমা মন্ত্ৰালয়ৰ অনুমোদন সাপেক্ষে আঁচনিখনত অংশগ্ৰহণ কৰিব পাৰিব।

০০০০০০

চলচিত্ৰ নিৰ্মাতা ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ-২ ছবিখনে দক্ষিণ কোৰিয়াৰ বুশ্বান চহৰত অনুষ্ঠিত ২৯ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ ছবিৰ শিতানত বিশেষ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় ফিচাৰ ফিল্ম হিচাপে মহোৎসৱত ছবিখনে কিম জিছিঅ'ক বঁটা লাভ কৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পুনৰ সফলতা লাভ কৰি ছবি নিৰ্মাতা ৰীমা দাসে কয় যে, এছিয়ান চিনেমাৰ উৎকৰ্ষ সাধনৰ বাবে জীৱন উৎসৰ্গা কৰা এগৰাকী ব্যক্তিৰ সন্মানাৰ্থে দিয়া কিম জিছিঅ'ক বঁটা লাভ কৰাটো তেওঁৰ বাবে সঁচাকৈয়ে সৌভাগ্যৰ কথা। উল্লেখযোগ্য যে জিছিঅ'ক প্ৰতিযোগিতা শিতানত নিৰ্বাচিত হোৱা ৮খন ছবিৰ ভিতৰত একমাত্ৰ ভাৰতীয় ফিচাৰ ফিল্ম হিচাপে ভিলেজ ৰকষ্টাৰ-২ ছবিখন চিহ্নিত হৈছিল। ছবিখন ইতিমধ্যে মামী মুম্বাই ফিল্ম ফেষ্টিভেল ২০২৪ত দক্ষিণ এছিয়া প্ৰতিযোগিতাৰ শিতানত প্ৰদৰ্শন কৰা হৈছে। ৰীমা দাসৰ প্ৰযোজনাৰে নিৰ্মাণ কৰা ছবিখনত ভনিতা দাস, বাসন্তী দাস, জুনমণি বড়ো, বলোৰাম দাস আৰু মানবেন্দ্ৰ দাসে অভিনয় কৰিছে।

০০০০০০

অসম চৰকাৰে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালন কৰিব। এই সপ্তাহৰ কাৰ্যসূচী হিচাপে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু নাগৰিক সমাজৰ সংগঠনসমূহৰ সহায়ত অসমীয়া সাহিত্যিক, পণ্ডিতসকলৰ অৱদানক সন্মান জনোৱা হ'ব। উল্লেখযোগ্য যে যোৱা ৩ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছিল। এই স্বীকৃতি উদযাপনৰ বাবে অসমীয়া ভাষা উত্তৰণৰ দিশত অৰিহণা আগবঢ়োৱা সাহিত্যিক আৰু পণ্ডিতসকলৰ সৃষ্টি কৰ্মৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ইয়াৰ জৰিয়তে অসমৰ

জনসাধাৰণে অসমীয়া ভাষাক দিয়া যথাযোগ্য স্বীকৃতিৰ বাবে প্ৰধানমন্ত্ৰী মোদীক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

গোলাঘাটৰ কাজিৰঙাৰ বচাগাঁৰত কালি নিশা এখন গাড়ী দুৰ্ঘটনাত পতিত হোৱাত দুজন যুৱক থিতাতে নিহত হোৱাৰ লগতে বাহনখনৰ চালকজন গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে নগাঁৱৰ পৰা যোৰহাট মহবন্ধালৈ আহি থকা অৱস্থাত তীব্ৰবেগী বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা এজোপা গছত খুন্দা মৰাৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০০০

মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ শ্বাৰজাহত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ৯ ৰানত পৰাজিত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। গ্ৰুপ পৰ্যায়ত কালি একেৰাহে চতুৰ্থখন খেলত জয়ী হৈ অষ্ট্ৰেলিয়াই এই প্ৰতিযোগিতাৰ আটাইকেইখন খেলতে জয়লাভ কৰাৰ অভিলেখ অক্ষুন্ন ৰাখে। আনহাতে, গ্ৰুপ এ-ৰ নিউজিলেণ্ড আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'বলগীয়া খেলখনৰ ফলাফলৰ ওপৰতেই ভাৰতে ছেমি ফাইনেল খেলাৰ সুযোগ নিৰ্ভৰ কৰিব। খেলখনত পাকিস্তান জয়ী হ'লে ভাৰত গ্ৰুপ-এৰ পৰা ছেমি ফাইনেলত প্ৰৱেশ কৰা দ্বিতীয়টো দল হ'ব।

কালিৰ খেলখনত ১৫২ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত মাত্ৰ ১৪২ ৰানহে কৰিবলৈ সমৰ্থ হয়। অধিনায়ক হৰমনপ্ৰীত কৌৰে ৫৪ ৰান কৰি অপৰাজিত হৈ থকাৰ বিপৰীতে দিপ্তী শৰ্মাই ২৯ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ হৈ এনাবেল চুমাৰলেণ্ড আৰু চোফি মলিনিউক্সে দুটাকৈ উইকেট লাভ কৰাৰ লগতে মেগান স্কট আৰু এশ্বলী গাৰ্ডনাৰে এটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ১৫১ ৰান সংগ্ৰহ কৰে। প্ৰতিযোগিতাত আজি সন্ধিয়া ডুবাইত হ'বলগীয়া এখন খেলত পাকিস্তান নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাই লাভ কৰা ঐতিহাসিক স্বীকৃতিক উদযাপনৰ অৰ্থে ৰাজ্যজুৰি ৩ৰ পৰা ৯ নৱেম্বৰলৈ চৰকাৰে পালন কৰিবলৈ উলোৱা ভাষা গৌৰৱ সপ্তাহৰ বাতৰিটো অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা আদি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বপূৰ্ণ স্থান দিছে।

চাকৰি হেৰুৱাব অদক্ষ বিষয়া-কৰ্মচাৰীয়ে। দেশৰ অকামিলা  অদক্ষ আৰু কলংকিত বিষয়া-কৰ্মচাৰীৰ বাবে বিপদঘণ্টা নমাইছে কেন্দ্ৰীয় চৰকাৰে। এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কইনাধৰাত অনুষ্ঠিত নিৰ্বাচনী সমিতিৰ বিশেষ বৈঠক, প্ৰাৰ্থীৰ তালিকা লৈ দিল্লীলৈ মুখ্যমন্ত্ৰী, উপ-নিৰ্বাচনক লৈ বিজেপিৰ তৎপৰতাৰ বাতৰিটো দৈনিক অসম কাকতে কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বুশ্বান আন্তঃৰাষ্ট্ৰীয় ছবি মহোৎসৱত ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ-২ লৈ কিম জিছিয়ক শ্ৰেষ্ঠ ছবিৰ সন্মান এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দুৰ্গোৎসৱৰ উছাহৰ মাজতে ঋণগ্ৰস্ত চৰকাৰৰ ৰাইজক মাধমাৰ, প্ৰতি লিটাৰ পেট্ৰ'লত এক টকা এক পইচাকৈ বৃদ্ধি। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

যোগ্য হিতাধিকাৰীৰ হাতত দায়িত্ব অৰ্পণ কৰা হ'ল টাটা ট্ৰষ্টৰ অধ্যক্ষৰ দায়িত্ব। ৰতন টাটাৰ উত্তৰসূৰীৰ দায়িত্ব নোৱেল টাটা কান্ধত। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বপূৰ্ণ স্থান দিছে।

THE MINISTRY OF DEVELOPMENT OF NORTH EASTERN REGIO IS CONCERNED ABOUT THE FUND UTILIZATION BY SOME OF THE NON EXCEMPTED MINISTRIES AND DEPARTMENTS- এই বাতৰিটো দা ছেণ্টিনেল কাকতে কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মহাৰাষ্ট্ৰৰ প্ৰাক্তন মন্ত্ৰী বাবা ছিদ্দিকীৰ হত্যাৰ আঁৰত আন্তঃৰাষ্ট্ৰীয় চক্ৰ জড়িত থকাৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – অসমত নিৰ্মাণ হ'ব ১৭ খন একলব্য আদৰ্শ বিদ্যালয়, ৰাজ্যজুৰি শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি উদযাপন, জেৰাই গাঁৱৰ পৰা অগপই আৰম্ভ কৰিব শক্তি সঞ্চয় অভিযান ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত